**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 2-05-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত আজি উজনি অসম, উত্তৰ অসম আৰু বৰাক উপত্যকাৰ ১৪ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলাত আজি চাৰে ৭ বজাৰ পৰা আৰম্ভ হোৱা ভোটগ্ৰহণ বিয়লি চাৰে ৪ বজাত সামৰণি পৰিব। ৰাজ্যিক নিৰ্বাচন আয়োগে দিয়া তথ্য অনুযায়ী এই ১৪ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ সংখ্যা ৮৯ লাখ ৬০ হাজাৰ ৫৭৭। এই জিলাকেইখনত ২১৬ টা জিলা পৰিষদ, এহেজাৰ ১৩৯ টা আঞ্চলিক পঞ্চায়ত আৰু ১১ হাজাৰ ৩৯০ টা গাঁও পঞ্চায়তৰ ৱাৰ্ড আছে।

চৰাইদেউ জিলাৰ ৩৯৭ টা ভোটগ্ৰহণ কেন্দ্ৰত আজি পুৱাৰে পৰা পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ চলি আছে। বিয়লি চাৰে ৪ বজালৈ জিলাখনৰ চাৰিখন আঞ্চলিক পঞ্চায়ত ৮ খন জিলা পৰিষদৰ আৰু ৩৬টা গাঁও পঞ্চায়তৰ বাবে মুঠ ৩৬০ টা ৱাৰ্ডৰ ভোটগ্ৰহণ কৰা হ'ব। জিলাখনৰ দুই লাখ ৯৭ হাজাৰ ৩৩৩ গৰাকী ভোটাৰে এই নিৰ্বাচনত অৱতীৰ্ণ প্ৰাৰ্থীসকলৰ ভাগ্য নিৰ্ণয় কৰিব। ভোটগ্ৰহণ কেন্দ্ৰসমূহত পুৱাৰে পৰা ভোটাৰৰ ভীৰ পৰিলক্ষিত হৈছে বুলি আমাৰ চৰাইদেউৰ সংবাদদাতাই জানিবলৈ দিছে।

ooooooo

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ দিনা আজি ধেমাজি জিলাৰ পশ্চিম গোগামুখ মধ্য ইংৰাজী বিদ্যালয়ৰ ভোট কেন্দ্ৰত অসম চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ভোটাধিকাৰ সাব্যস্ত কৰে। পঞ্চায়ত নিৰ্বাচনত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰি ধেমাজি বিধানসভা সমষ্টিৰ জনসাধাৰণক মন্ত্ৰী পেগুৱে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

ooooooo

বিশ্বনাথ জিলাৰ বিহালী সমষ্টিটো আজি পুৱা চাৰে সাত বজাৰ পৰা প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। জিলাখনৰ বিহালী সমষ্টিৰ অন্তৰ্গত চিলাহাৰ্ন প্ৰাথমিক বিদ্যালয়ৰ ভোটকেন্দ্ৰত শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিৎ দত্তই ভোটাধিকাৰ সাব্যস্ত কৰে। এই কেন্দ্ৰটোত ৭১৪ গৰাকী ভোটাৰে ভোটদান কৰি প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। বিশ্বনাথ জিলাৰ ১২ খন জিলা পৰিষদতে দলীয় প্ৰাৰ্থী জয়ী হ'ব বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে। বিশ্বনাথ জিলাৰ চাৰি লাখ ৭৪ হাজাৰ ৯২৭ গৰাকী ভোটাৰে বেলট যোগে এহেজাৰ ৩১২ গৰাকী পঞ্চায়ত প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। এই নিৰ্বাচন সুকলমে সম্পন্ন কৰিবলৈ জিলা প্ৰশাসনে ৩৬ গৰাকী মাণ্ডলিক, ৭৪ গৰাকী ছেক্টৰ, ৮৯৬ গৰাকী প্ৰিজাইডিং আৰু দুহেজাৰ ৬৮৮ গৰাকী পুলিং বিষয়া নিয়োগ কৰিছে।

oooooo

প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনত মাজুলী জিলাৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত আজি পুৱাৰে পৰা ভোটাৰৰ ভীৰ পৰিদক্ষিত হৈছে। জিলাখনত ৪ খন জিলা পৰিষদ আৰু ২০ খন গাঁও পঞ্চায়তৰ ২১৩ টা ভোটগ্ৰহণ কেন্দ্ৰত প্ৰথম

পৰ্যায়ৰ নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। ইয়াৰে ২২ টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালিত হৈছে। জিলাখনত পুৱা চাৰে ৯ বজালৈ ভোটদানৰ হাৰ ১২ দশমিক ৭-৭ শতাংশ হোৱা বুলি মাজুলীৰ সংবাদদাতাই জানিবলৈ দিছে। উল্লেখযোগ্য যে জিলাখনত সৰ্বমুঠ এক লাখ ৪২ হাজাৰ ৪৬১ গৰাকী ভোটাৰ আছে। ইয়াৰে ৭২ হাজাৰ ৩৭৯ গৰাকী পুৰুষ ভোটাৰৰ বিপৰীতে ৭০ হাজাৰ ২৬ গৰাকী মহিলা ভোটাৰ আৰু ছগৰাকী তৃতীয় লিংগৰ ভোটাৰ আছে। জিলাখনৰ সমগ্ৰ নিৰ্বাচন প্ৰক্ৰিয়া ২৭ টা ছেক্টৰ আৰু ৪ টা জ'নত বিভক্ত কৰা হৈছে।

০০০০০০

অসমত আবৃত্তিৰ ধাৰা শীৰ্ষক শৃংখলাৰ দ্বিতীয়টো দৃষ্টিপাত কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত ভাগ ল'ব বিশিষ্ট গীতিকাৰ, শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰী, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° বিনীতা বৰা দেৱচৌধুৰী আৰু বিশিষ্টা আবৃত্তিকাৰ জুলিয়ানা বেগমে। এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

বিহাৰ আৰু নতুন দিল্লীত অহা ৪ৰ পৰা ১৫ মে'লৈ হ'বলগীয়া সপ্তম খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱত ভাগ লবলগীয়া অসমৰ প্ৰথমটো দল গুৱাহাটীৰ পৰা ৰাওনা হৈছে। অসম কাবাডী আৰু ভলীবলৰ ছোৱালীৰ দল দুটা কালি ৰাজধানী এক্সপ্ৰেছযোগে পাটনালৈ ৰাওনা হয়। প্ৰতিযোগিতাত ভাগ ল'বলগীয়া জুদো, সাঁতোৰ, চাইক্লিং, ছেপাকটাৰ আৰু গাডকাৰ দলৰ খেলুৱৈসকল আজি প্ৰতিযোগিতাস্থলী অভিমুখে ৰাওনা হ'ব। প্ৰতিযোগিতাত অসমৰ মুঠ ১০৫গৰাকী এথলীটে ভাগ ল'ব। অসমে প্ৰতিযোগিতাৰ ২৭বিধ খেলৰ ভিতৰত ১৭ বিধত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। উল্লেখযোগ্য যে এইবাৰ বিহাৰৰ পাঁচখন চহৰত প্ৰতিযোগিতাৰ বিভিন্ন শিতানৰ খেল অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত শ্বুটিং, জিম্নাষ্টিক আৰু ট্ৰেক চাইক্লিং শিতানৰ খেলসমূহ নতুন দিল্লীত হ'ব।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

যোৱানিশা জয়পুৰৰ ছৱাই মানছিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে ৰাজস্থান ৰয়েলছক ১০০ ৰানত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ২১৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰাজস্থানৰ হৈ জোফ্ৰা আৰ্চাৰে সৰ্বাধিক ৩০ ৰান কৰে। মুম্বাইৰ ট্ৰেণ্ট বোল্ট আৰু কৰম শৰ্মাই তিনিটাকৈ উইকেট দখল কৰে।

০০০০০০

সমাপ্ত